**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 27-06-2026**
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***
***:::::::::::::::::::::::::::::::::::::***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ৩ দিনীয়া ভ্ৰমণসূচীৰে ইতিমধ্যে চিচিলিত উপস্থিত হৈছে।

২। প্ৰধানমন্ত্ৰীয়ে কাইলৈ দিনৰ এঘাৰ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত মনৰ ভাব ব্যক্ত কৰিব।

৩। দেশত সমবায় ভিত্তিত আৰম্ভ কৰা প্ৰথমটো যাত্ৰী সহায়ক এপ **ভাৰত টেক্সি**ৰ সেৱা অতি শীঘ্ৰে ৫০০ খন চহৰ আৰু নগৰলৈ সম্প্ৰসাৰিত কৰা হ'ব বুলি কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহে মন্তব্য কৰিছে।

৪। বিশ্বৰ যিকোনো অৰ্থনীতিৰ মূল শক্তি ইয়াৰ অতি ক্ষুদ্ৰ, অতি ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ খণ্ডৰ অৰদানৰ ওপৰত নিৰ্ভৰ কৰে বুলি উপৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে প্ৰকাশ কৰিছে। ***আৰু***

৫। বিশ্বকাপ ফুটবল প্ৰতিযোগিতাত আজি পানামা ইংলেণ্ডৰ বিৰুদ্ধে আৰু ক্ৰ'ৱেছিয়া ঘানাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ৩ দিনীয়া ভ্ৰমণসূচীৰে চিচিলিত উপস্থিত হৈছে। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত শ্ৰীমোদীয়ে বিমানবন্দৰত চিচিলিৰ ৰাষ্ট্ৰপতি ডং পেট্ৰিক হাৰমিনিয়ে জনোৱা উষ্ম আদৰণিক ভূয়সী প্ৰশংসা কৰে। বাৰ্তাটোত প্ৰধানমন্ত্ৰী মোদীয়ে কয়, যে ভাৰত মহাসাগৰীয় অঞ্চলসমূহত চিচিলি ভাৰতৰ বাবে এক মূল্যবান সামুদ্ৰিক অংশীদাৰ আৰু অন্তৰংগ বন্ধু। তেওঁ লগতে কয়, যে দুয়োখন দেশৰ জনসাধাৰণৰ কল্যানৰ বাবে ভাৰত আৰু চিচিলিৰ দীৰ্ঘদিনীয়া সম্পৰ্ক অধিক সুদৃঢ় হ'ব। বাৰ্তাটোত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিমানবন্দৰত তেওঁক জনোৱা উষ্ম আদৰণিৰ বাবে প্ৰৱাসী ভাৰতীয় লোকসকলকো ধন্যবাদ জ্ঞাপন কৰে। তেওঁ কয় যে প্ৰৱাসী ভাৰতীয়সকলে ভাৰতৰ বিভিন্ন প্ৰান্তৰ পৰা অহা সংস্কৃতি যিধৰণে সংৰক্ষণ কৰি ৰাখিছে সেয়া প্ৰশংসনীয়। উল্লেখযোগ্য যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী চিচিলিৰ ৫০ সংখ্যক স্বাধীনতা দিৱস উপলক্ষে আয়োজন কৰা অনুষ্ঠানত সন্মানীয় অতিথি হিচাপে উপস্থিত থাকিব।

ooooo

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ দিনৰ এঘাৰ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১৩৫ সংখ্যক খণ্ড।

এই অনুষ্ঠান আকাশবাণী-দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ উপৰি আকাশবাণীৰ ৱেৱছাইট আৰু newsonair মোবাইল এপৰ জৰিয়তে শুনিবলৈ পোৱা যাব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়,

আকাশবাণী আৰু দূৰদৰ্শনৰ ইউটিউৱ চেনেল যোগেও এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে অনুষ্ঠানটো প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

ooooo

দেশত সমবায় ভিত্তিত আৰম্ভ কৰা প্ৰথমটো যাত্ৰী সহায়ক এপ **ভাৰত টেক্সি** অতি শীঘ্ৰে ৫০০ খন চহৰ আৰু নগৰলৈ সম্প্ৰসাৰিত হ'ব। কেন্দ্ৰীয় গৃহ আৰু সমবায় মন্ত্ৰী অমিত শ্বাহে আজি ভাৰত টেক্সি এপ্লিকেছনৰ আনুষ্ঠানিক শুভাৰম্ভ কৰি এই কথা ঘোষণা কৰে। তেওঁ কয় যে ভাৰত টেক্সিৰ আৰম্ভণি সমবায় খণ্ডৰ এক বৈপ্লৱিক পদক্ষেপ। চালকসকলক এই ব্যৱস্থাই পোনপটীয়াকৈ অংশীদাৰ হিচাপে গ্ৰহণ কৰিব বুলি উল্লেখ কৰি তেওঁ কয় যে যাত্ৰীসকলক ভাৰত টেক্সিয়ে নায্য আৰু স্বচ্ছ পৰিবহন সেৱা প্ৰদানৰ বাবে সাজু হৈছে। চালকসকলে তেওঁলোকৰ উপাৰ্জনৰ এক বৃহৎ অংশ পোনপটীয়াকৈ লাভ কৰাৰ লগতে যাত্ৰীসকল সুৰক্ষিত আৰু সুলভ সেৱাৰ দ্বাৰা উপকৃত হ'ব বুলিও তেওঁ মনন্তব্য কৰে। গৃহমন্ত্ৰীগৰাকীয়ে বৰ্তমানৰ এপ ভিত্তিক টেক্সি সেৱা আগবঢ়োৱা প্ৰতিষ্ঠানসমূহক সমালোচনা কৰি কয় যে এই প্ৰতিষ্ঠানসমূহে চালকসকলৰ পৰা উচ্চ হাৰত লাভ্যাংশ সংগ্ৰহ কৰাৰ লগতে ধন পৰিশোধ কৰাৰ ক্ষেত্ৰতো অযথা পলম কৰে আৰু কোনো গ্ৰহণযোগ্য কাৰণ নোহোৱাকৈ একাউণ্টসমূহ বন্ধ কৰি দিয়ে। **আমূল** সমবায় আন্দোলনৰ সফলতাৰ উদাহৰণ দি গৃহমন্ত্ৰী অমিত শ্বাহে কয় যে ভাৰত টেক্সিয়েও সামুহিক মালিকীস্বত্তৰ জৰিয়তে জনসাধাৰণক সৱলিকৰণ কৰি অনাগত দিনত সফলতাৰে আগুৱাই যাবলৈ সক্ষম হব।

ooooo

উপৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে কয়, যে বিশ্বৰ যিকোনো অৰ্থনীতিৰ মূল শক্তি ইয়াৰ অতি ক্ষুদ্ৰ, অতি ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ খণ্ডৰ অৱদানৰ ওপৰত নিৰ্ভৰ কৰে। আজি নতুন দিল্লীত ২০২৬ বৰ্ষৰ ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ দিৱস - উদ্যমী ভাৰত উপলক্ষে আয়োজিত এটা অনুষ্ঠানত ভাষণ দি তেওঁ কয় যে ভাৰতত ক্ষুদ্ৰ, অতি ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগৰ খণ্ডটোৱে প্ৰথম প্ৰজন্মৰ উদ্যমীসকলৰ সাহস আৰু উদ্যোগী মনোভাৱক প্ৰতিনিধিত্ব  কৰে। তেওঁ কয় যে এই খণ্ডটোৱে দেশৰ মুঠ ৰপ্তানীৰ ৫০ শতাংশ বৰঙণি আগবঢ়ায়। ২০৪৭ চনৰ ভিতৰত ভাৰতক বিকশিত ভাৰত হিচাপে গঢ়ি তোলাৰ যাত্ৰাত এই খণ্ডটোৱে আটাইতকৈ শক্তিশালী পদক্ষেপ গ্ৰহণ কৰিব বুলি উল্লেখ কৰি উপৰাষ্ট্ৰপতি ৰাধাকৃষ্ণণে কয় যে ভাৰত চৰকাৰে এই খণ্ডটোক অধিক উন্নত কৰিবলৈ বদ্ধপৰিকৰ।

উপৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে বৰ্তমানৰ গোলকীয় ব্যৱসায়িক ক্ষেত্ৰখনত সামগ্ৰীসমূহ সুলভ হোৱাৰ লগতে গুণগত মান অক্ষুন্ন ৰখাটো অত্যন্ত প্ৰয়োজনীয়। উদ্যোগীসকলে গুণগত মানৰ সৈতে আপোচ নকৰাকৈ সদায় নিজৰ সামগ্ৰীসমূহ সুলভ কৰি তুলিবলৈ কাম কৰা উচিত বুলিও তেওঁ মন্তব্য কৰে।

oooo

কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী জগত প্ৰকাশ নাড্ডাই পৰহিলৈ নতুন দিল্লীত স্বাস্থ্য খণ্ডৰ এলানি ডিজিটেল ব্যৱস্থা মুকলি কৰিব। ৰাষ্ট্ৰীয় স্বাস্থ্য কৰ্তৃপক্ষ আৰু ৰাষ্ট্ৰীয় সমল কেন্দ্ৰৰ অধীনত বিকশিত এই ডিজিটেল ব্যৱস্থাৰ জৰিয়তে স্বাস্থ্য সেৱাৰ সম্প্ৰসাৰণ আৰু সমগ্ৰ দেশতে স্বাস্থ্যৰ ক্ষেত্ৰত ডিজিটেল ৰাজহুৱা আন্তঃগাঁথনি প্ৰৱৰ্তনৰ লক্ষ্য লোৱা হৈছে। শ্ৰীনাড্ডাই পৰহিলৈ মুকলি কৰিবলগীয়া ব্যৱস্থাসমূহৰ ভিতৰত আছে আৰোগ্য সেতুৰ দ্বিতীয় পৰ্যায়, আয়ুষ্মান সাৰথি চাটব'ট, আয়ুষ্মান এপ, ই-সুশ্ৰূত ক্লিনিক, ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযোগ বিনিময় আৰু

মানসম্পন্ন স্বাস্থ্য আদি। স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি এই নতুন ব্যৱস্থাসমূহে দেশৰ স্বাস্থ্য খণ্ডৰ ডিজিটেল ৰাজহুৱা আন্তঃগাঁথনি শক্তিশালী কৰি তুলিব।

ইয়াৰ পিছতে মন্ত্ৰীগৰাকীয়ে নতুন দিল্লীত কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ পৰিষদৰ ষোড়শ সমাৰোহত অধ্যক্ষতা কৰিব। এই সমাৰোহত ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলসমূহৰ স্বাস্থ্য-পৰিয়াল কল্যাণ মন্ত্ৰীসকল, সাংসদসকল, ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰৰ জ্যেষ্ঠ বিষয়াবৰ্গই অংশগ্ৰহণ কৰিব।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কেন্দ্ৰীয় শক্তিমন্ত্ৰী মনোহৰ লালে এখন ইংৰাজী দৈনিক কাকতত লিখা এটা প্ৰৱন্ধ সামাজিক মাধ্যমত শ্বেয়াৰ কৰিছে। প্ৰৱন্ধটোত ভাৰতে নিৰাপদ, স্থিতিস্থাপক, ন্যায়সংগত আৰু বহনক্ষম বিশ্বশক্তিৰ জৰিয়তে ভৱিষ্যতে গ্লোবেল চাউথত স্থান দিয়াৰ প্ৰচেষ্টাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। বাৰ্তাটোত শ্ৰীমোদীয়ে কয়, যে মন্ত্ৰীগৰাকীয়ে প্ৰৱন্ধটোত শক্তিশালী আৰু সকলো পৰিস্থিতিৰ বাবে অনুকুল শক্তি ব্যৱস্থা কেৱল ঘৰুৱা নীতিৰ জৰিয়তে নহয়, বৰং শক্তিশালী আন্তৰাষ্ট্ৰীয় সহযোগিতাৰে গঢ় লৈ উঠে বুলি উল্লেখ কৰিছে।

০০০০

ত্ৰিপুৰাৰ ৰাজ্যপাল ইন্দ্ৰসেনা ৰেড্ডী নাল্লুৰে জ্যেষ্ঠ নাগৰিকসকলক দেশৰ বাবে মূল্যবান সম্পদ বুলি অভিহিত কৰিছে। আজি আগৰতলাৰ কুঞ্জবনৰ আশ্ৰয় পেঞ্চনাৰ গৃহ পৰিদৰ্শন কৰি ৰাজ্যপালগৰাকীয়ে কয়, যে সমাজে তেওঁলোকৰ জ্ঞান আৰু অভিজ্ঞতাৰ পৰা লাভান্বিত হ'ব পৰাকৈ সুযোগ সৃষ্টি কৰা উচিত। পৰিদৰ্শনকালত তেওঁ পেঞ্চনাৰ গৃহৰ জ্যেষ্ঠ আৱাসীসকলৰ সৈতে মত বিনিময় কৰে আৰু তেওঁলোকৰ সমস্যাসমূহ মনোযোগেৰে শুনে। জ্যেষ্ঠ নাগৰিকসকলক লক্ষ্য কৰি সংঘটিত চাইবাৰ প্ৰৱঞ্চনাৰ বৰ্ধিত ঘটনাক লৈ উদ্বেগ প্ৰকাশ কৰি ৰাজ্যপালগৰাকীয়ে কয়, যে চাইবাৰ অপৰাধীসকলে বিভিন্ন উপায়েৰে বৃদ্ধ লোকসকলক ভয় দেখুৱায় আৰু প্ৰৱঞ্চনা কৰে। এনে অপৰাধৰ পৰা জ্যেষ্ঠ নাগৰিকসকলক সুৰক্ষিত কৰি ৰাখিবলৈ তেওঁলোকৰ মাজত অধিক সজাগতা সৃষ্টি কৰাটো অতি প্ৰয়োজনীয় বুলি তেওঁ উল্লেখ কৰে। তেওঁ লগতে জ্যেষ্ঠ আৱাসীসকলক নিজৰ জীৱনৰ অভিজ্ঞতাসমূহ লিখি সংৰক্ষণ কৰিবলৈও উৎসাহিত কৰে, যাতে ভৱিষ্যত প্ৰজন্ম তেওঁলোকৰ জ্ঞান, প্ৰজ্ঞা আৰু অভিজ্ঞতাৰ পৰা উপকৃত হ'ব পাৰে।

০০০০

উপৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে প্ৰখ্যাত চলচ্চিত্ৰ নিৰ্মাতা, অভিনেতা আৰু চিত্ৰনাট্যকাৰ থিৰু কে ভাগ্যৰাজৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত তেওঁ কয় যে থিৰু কে ভাগ্যৰাজে তেওঁৰ স্মৰণীয় চলচ্চিত্ৰ, স্বকীয় কাহিনী আৰু অসাধাৰণ চিত্ৰনাট্যৰ জৰিয়তে ভাৰতীয় চলচ্চিত্ৰ জগতলৈ অনন্য অৱদান আগবঢ়াইছে। তেওঁ লগতে কয়, যে ভাগ্যৰাজৰ উদ্ভাৱনীমূলক চিত্ৰনাট্য শৈলী আৰু জটিল কাহিনীসমূহ সহজ অথচ আকৰ্ষণীয়ভাৱে উপস্থাপন কৰাৰ ক্ষমতাই তেওঁক ভাৰতৰ অন্যতম শ্ৰেষ্ঠ চিত্ৰনাট্যকাৰ হিচাপে স্বীকৃতি দিছে। উপৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে ভাগ্যৰাজৰ মৃত্যু ভাৰতীয় চলচ্চিত্ৰ জগতৰ বাবে অপূৰণীয় ক্ষতি যদিও তেওঁ চলচ্চিত্ৰ জগতলৈ আগবঢ়োৱা অৱদান আৰু ঐতিহ্যই আগন্তুক প্ৰজন্মৰ শিল্পী আৰু চলচ্চিত্ৰপ্ৰেমীসকলক সদায় অনুপ্ৰাণিত কৰিব।

০০০০

বিশ্বকাপ ফুটবল প্ৰতিযোগিতাত আজি নিশা আঢ়ৈ বজাত হ'বলগীয়া গ্ৰুপ এলৰ দুখন খেলৰ এখনত পানামা ইংলেণ্ডৰ বিৰুদ্ধে আৰু আনখনত ক্ৰ'ৱেছিয়া ঘানাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। একেদৰে কাইলৈ পুৱা ৫ বজাত হ'বলগীয়া গ্ৰুপ কেৰ দুখন খেলৰ এখনত কলম্বিয়া পৰ্টুগালৰ আৰু কংগো উজবেকিস্তানৰ সন্মুখীন হ'ব।

ইপিনে, ইজিপ্তে আৰু ইৰানৰ মাজত আজি আমেৰিকাৰ ছিয়াটেলত অনুষ্ঠিত গ্ৰুপ পৰ্যায়ৰ খেলখন ১-১ গ'লত ড্ৰ' হোৱাৰ সুবাদত ইজিপ্তে প্ৰথমবাৰৰ বাবে প্ৰতিযোগিতাত নক আউট পৰ্যায়ত স্থান লাভ কৰিছে। ইজিপ্ত নক আউট পৰ্যায়ত অষ্ট্ৰেলিয়াৰ সন্মুখীন হ'ব। খেলখন ড্ৰ' হোৱা সত্ত্বেও ইৰান বৰ্তমানো নক আউট পৰ্যায়ৰ দৌৰত বৰ্তি আছে। গ্ৰুপ জিৰ আন এখন খেলত বেলজিয়ামে আজি নিউজিলেণ্ডক ৫-১ গ'লত পৰাস্ত কৰে। এই জয়েৰে বেলজিয়ামেও নকআউট পৰ্যায়ত স্থান নিশ্চিত কৰিছে। ইয়াৰ পূৰ্বে কাবো ভাৰ্ডে আৰু ছৌদি আৰবৰ মাজৰ গ্ৰুপ-এইচৰ খেলখন গ'লশূন্যভাৱে ড্ৰ' হয়। একেটা গ্ৰুপৰে আন এখন খেলত স্পেইনে উৰুগুৱেক ১-০ গ'লত পৰাস্ত কৰে।

০০০০০

ঃঃ সমাপ্ত ঃঃ